BARAK VALLEY CEMENTS LTD.
Unit No. DSM 450-451-452, DLF Tower, 15 Shivaji Marg,
Najafgarh Road, Delhi 110015 • Tel. : +91-11-41212600
E-mail : delhi@barakcement.com • Website : www.barakcement.com
CIN : L01403AS1999PLC005741

ISO 9001 : 2015 CERT. No.: QAC/R91/1941

Ref: 0701/BVCL/2025-26 **JANUARY 07, 2026**

To
The General Manager
Department of Corporate Services,
BSE Limited
Phiroze Jee Jee Bhoy Tower
Dalal Street, Fort
Mumbai-400001
Fax: 022-22722061/41/39
Phone No. 91-22-22721233/4

Scrip Code- 532916
ISIN - INE139I01011

To
The General Manager
Department of Corporate Services,
National Stock Exchange of India Limited
Exchange Plaza,
Bandra Kurla Complex,
Bandra (East), Mumbai-400051
Fax: 022-26598237/38/47
Phone No. 022-2659-8235/36

Scrip Code- BVCL

Subject: Newspaper Advertisement - Disclosure under Regulation 30 & 47 of the SEBI (Listing Obligations and Disclosure Requirements) Regulation, 2015

Dear Sir,

Pursuant to Regulations 30 and 47 of the Securities and Exchange Board of India (Listing Obligations and Disclosure Requirements) Regulations, 2015, please find enclosed herewith copies of the newspaper advertisements published today, i.e., **07th January, 2026**, in the following newspapers:

- *The Financial Express* (English), and
- *Dainandin Barta* (Assamese)

The advertisements pertain to the completion of dispatch of the Postal Ballot Notice of the Company and details regarding e-voting, in compliance with the applicable circulars issued by the Ministry of Corporate Affairs and the Securities and Exchange Board of India.

This is for your information and records.

Thanking you.

For BARAK VALLEY CEMENTS LIMITED

PREETI BHATIA
Digitally signed by PREETI BHATIA
Date: 2026.01.07 16:23:19 +05'30'

Preeti Bhatia
(Company Secretary & Compliance Officer)
Encl.: As above

BARAK VALLEY CEMENTS LIMITED

BVCL
CIN: L01403AS1999PLC005741
Regd. Office: Debendra Nagar, Jhoombasti,
P.O. Badarpurghat, Distt. Karimganj, Assam-788803
Corporate Office: Unit Nos. DSM 450-451-452, DLF Towers, 15, Shivaji Marg,
Moti Nagar, New Delhi -110015
E-mail: cs@barakcement.com, Website: www.barakcement.com
Phone: 03843-269435, 269881

POSTAL BALLOT NOTICE & E-VOTING INFORMATION

Dear Members

Members of **Barak Valley Cements Limited (the 'Company')** are hereby informed that pursuant to Section 108 and 110 of the Companies Act, 2013 read with Rules 10 and 22 of the Companies (Management and Administration) Rules, 2014 read with applicable circulars issued by Ministry of Corporate Affairs (MCA), inter alia for considering Postal Ballot through e-voting vide circular No(s). 14/2020 dated April 08, 2020, 17/2020 dated April 13, 2020, 22/2020 dated June 15, 2020, 33/2020 dated September 28, 2020, 39/2020 dated December 31, 2020, 10/2021 dated June 23, 2021, 20/2021 dated December 08, 2021, 03/2022 dated May 05, 2022 11/2022 dated December 28, 2022, 09/2023 dated September 25, 2023, 09/2024 dated September 19, 2024 and 03/2025 dated September 22, 2025, as well as relevant circulars and notifications(collectively referred to as **"MCA Circulars"**), the Secretarial Standard-2 on General Meetings issued by Institute of Company Secretaries of India **("SS-2")**, Regulation 44 of SEBI (Listing Obligation and Disclosure Requirements) Regulations, 2015 **("Listing Regulations")** and other applicable laws, rules, circulars, and other notifications issued thereunder (including any statutory modification(s), re-enactment(s) or amendment(s) thereof for the time being in force), the Company has **sent the electronic copies of the Postal Ballot Notice along with Explanatory Statement** dated January 05, 2026 **("Notice")** through National Securities Depositories Limited ("NSDL") on Wednesday, January 07, 2026, to the members who have registered E-Mails IDs with the MCS Share Transfer Agent ("RTA") and Central Depositories Services (India) Limited **("CDSL")** (hereinafter referred to as **"Depositories"**) or with NSDL, as on Friday, January 2, 2026 **("Cut-off date')**, for seeking the approval of Members of the Company for Increase in the Authorized Share Capital and consequent alteration to the Capital Clause of the Memorandum of Association of the Company as set out in the Notice by means of electronic voting ("remote e-voting"). The Notice can also be accessed by scanning the given QR Code.

Once the vote on the resolutions aro casled by the member, the same cannot be changed subsequently.

The Board of Directors of the Company has appointed Mr. Balwan Jain (Membership No. 091276), Proprietor of M/s Balwan Jain & Co., Chartered Accountants (FRNo. 013079N) as 'Scrutinizer' to scrutinize the Postal Ballot process through remote e-voting in a fair and transparent manner.

Members shall be able to provide their assent or dissent through remote e-voting only. The Company has engaged the services of NSDL as an agency to provide remote e-voting facility to the members of the Company to enable them to cast their votes electronically. Members who have not updated their e-mail addresses are requested to register the same in respect of their shares held by them in electronic form with the Depository through their respectively Depository Participant. The detailed procedure for e-voting is mentioned in the notes to the Postal Ballot Notice. Please note that in compliance of the applicable MCA circulars, the assent/ dissent of the members on the resolutions will be considered only through remote e-voting only. Further, physical copies of Notice, Postal Ballot Form and pre-paid business reply envelope, have not been sent to the members for this Postal Ballot.

Members are requested to note that remote e-voting shall commence from Thursday, 08th January, 2026, at 09:00 A.M. (IST) and shall end on Saturday, 07th February, 2026, at 05:00 P.M. (IST). The e-voting module shall be disabled by NSDL immediately for e-voting thereafter voting will not be allowed beyond the said date and time. Once the vote on resolution is cast by the Members, the same shall not be allowed to change subsequently.

In accordance of the aforesaid MCA Circulars, physical copies of Postal Ballot Notice with Postal Ballot forms and Prepaid Business Envelope are not being sent to the Members. The voting rights of members shall be reckoned in proportion to his/her/its share to the paid-up equity share capital of the Company held by them as on Cut-off date. Any person who is not a member on the said date should treat the Notice for information purpose only.

The copy of Postal Ballot notice shall be available on the Website of the Company at www.barakcement.com., website of Stock Exchanges i.e., BSE Limited as National Stock Exchange of India Limited at www.bseindia.com and www.nseindia.com, respectively and on the Website of NSDL https://nsdl.co.in/ . Members who have not received the Notice may download it from above Websites.

In case of any queries or grievances relating to e-voting, you may contact Ms., Ms. Pallavi Mhatre, Assistant Manager, National Securities Depository Ltd., 301, 3rd Floor, Naman Chambers, G Block, Plot No- C-32, Bandra Kurla Complex, Bandra East, Mumbai- 400051 or at email: pallavid@nsdl.co.in.

The Scrutinizer will submit his report to the Chairman or a person duly authorized by him in writing, after the completion of scrutiny of thee-voting and the results will be announced on or before Tuesday, February 10, 2026. The resolution, if passed by requisite majority through Postal Ballot, will be deemed to have been passed on the last date specified for voting i.e., February 07, 2026. The results along with the Scrutinizer's Report shall be communicated to the Stock Exchanges, NSDL and will also be displayed on the Website of the Company (as mentioned above).

For Barak Valley Cements Limited
Sd/-
(Kamakhya Chamaria)
Vice Chairman and Managing Director

Place: New Delhi
Date: 07.01.2026

.11.2025, the National Company Law Tribunal (NCLT) Mumbai has duly
rvices Limited ("TCFSL") and Tata Cleantech Capital Limited ("TCCL") as
isions of Sections 230 to 232 read with Section 66 and other applicable
TCFSL and TCCL (Transferor Companies) along with its undertaking have
s, assets, rights, benefits, interest, duties, obligations, liabilities, contracts,
der and the Scheme, all the facility documents executed by TCFSL and all
hus the TCL is entitled to claim the same from the [Borrowers/Co-Borrowers]

es/legal heirs (**BORROWER/CO-BORROWERS**) have defaulted in the
Tata Capital Limited (**TCL**). The below mentioned Loan Accounts have been
he default in repaying TCL's dues. TCL, through its Authorised Officer, in
ncial Assets and Enforcement of Security Interest Act, 2002 (**The ACT**) has
) of the Act calling upon the Borrowers to discharge the said outstanding
, failing which the TCL shall exercise all or any of the rights detailed under
d by the Borrowers in favour of the TCL over the properties described below:

S)	Outstanding Amount as per Demand Notice/. Date of Demand Notice	NPA Date
elhi 110064 H SABBA GURUDWARA in Delhi 110064 H SABBA GURUDWARA in elhi 110064 H SABBA GURUDWARA in Delhi 110064 H SABBA GURUDWARA ir Delhi 110064 H SABBA GURUDWARA ir	Rs.32,45,934/- & 18.11.2025	01-11-2025
oof rights built on Southern portion of property area measuring 70 sq. yards area of Village Tihar, New Delhi-110018 more described in Sale deed dated As: East: Property No. A-14, West : Road 20 Ft. North : Remaining portion		
Nagar, Near Shanti Nursing 110059 ietor, a No. 31/16 & 31/25, Matiala	Rs.35,17,033/- & 18.11.2025	07-11-2025
TERRACE RIGHTS, (FRONT SIDE PORTION OF BUILT UP PROPERTY), 4, PVT. FLOOR NUMBER A-1, LAND AREA ADMEASURING 100 SQUARE ND AREA MEASURING 200 SQUARE YARDS, OUT OF KHASRA NUMBER M NAGAR, ABADI KNOWN AS UTTAM NAGAR, NEW DELHI, MORE UTED IN FAVOR OF KAMLESH. BOUNDED AS: EAST : REMAINING ER 22, SOUTH : PLOT NUMBER 20		
NAGAR,NEW DELHI-110060 NAGAR NEW DELHI-110060 NAGAR NEW DELHI-110060	Rs.1,21,56,876/- & 18.11.2025	07-11-2025

ated at Site No. – 1 Shankar Road New Rajendra Nagar New Delhi – 110060

d Notices, we are hereby effecting service of the said Notices vide the public
(2) of the Act to discharge the above-mentioned liabilities within 60 days of this
Section 13(4) of the Act. Pertinently, the Borrowers are also put to notice that as
se or otherwise the aforesaid secured assets.

Sd/- Authorised Officer,
For Tata Capital Ltd.

যোৰহাটত যুৱ কংগ্ৰেছৰ 'জাতি বচাওক, মাটি বচাওক' পদযাত্ৰা



দৈনন্দিন বাৰ্তাৰ সেৱা, ৬ জানুৱাৰী ঃ 'জাতি বচাওক, মাটি বচাওক' শ্ল'গানেৰে অসমত যুৱ কংগ্ৰেছে আৰম্ভ কৰিছে ৰাজ্যযোৰা পদযাত্ৰা। লখিমপুৰত আৰম্ভ কৰা এই অভিযান ৫ জানুৱাৰীত মাজুলীত অনুষ্ঠিত হয় আৰু আজি যোৰহাট জিলাত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মাজুলীত কালি হাজাৰ হাজাৰ লোকে জাতি বচাওক, মাটি বচাওক শ্ল'গান দি বিজেপি চৰকাৰৰ দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে ৰাইজক সজাগ কৰে। এই পদযাত্ৰাৰ নেতৃত্ব প্ৰদান কৰে ভাৰতীয় জাতীয় কংগ্ৰেছৰ সামাজিক মাধ্যম বিভাগৰ ৰাষ্ট্ৰীয় অধ্যক্ষ সুপ্ৰিয়া শ্ৰীনেতে। আজি যোৰহাট চহৰত প্ৰায় ৫ কিলোমিটাৰযোৰা এক বিশাল সমদলত অংশগ্ৰহণ কৰি যুৱ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক মিতেন্দ্ৰ দৰ্শন সিং, সম্পাদক জেছান আহমেদ, ৰাকেশ মিনাই হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰৰ বিৰুদ্ধে দুৰ্নীতি আৰু কেলেংকাৰীৰ শ্ল'গান দিয়ে। এই পদযাত্ৰাত যোৰহাট জিলা কংগ্ৰেছৰ সভাপতি পুতুল বুঢ়াগোহাঁই, অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক শুভমিত্ৰ গগৈ, সম্পাদক কৃষাণু বৰুৱা, জ্যেষ্ঠ মুখপাত্ৰ বাতুল কলিতা, যুৱ কংগ্ৰেছৰ অসমৰ সভাপতি জুবেৰ আনৱেৰপ্ৰমুখ্যে দলৰ নেতা-কৰ্মীসকলে যোৰহাট ষ্টেডিয়ামৰ পৰা এক সমদল লৈ চহৰৰ মাজমজিয়াৰে পদযাত্ৰা কৰে। সমগ্ৰ অসমত যুৱ কংগ্ৰেছে জাতি বচাওক, মাটি বচাওক শ্ল'গানেৰে বিজেপি চৰকাৰৰ অনীতি আৰু ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে প্ৰচাৰ চলাব।

সাহিত্য-সংস্কৃতিৰ বৰ্ণিল কাৰ্যক্ৰমণিকাৰ সমাপ্তি ঘটাই নিজম পৰিল খানাপাৰা বাকৰি

তৃতীয় পৃষ্ঠাৰ পৰা... গুৱাহাটীত ১৪ দিনত ৭ কোটি ৪০ লাখ টকাৰ কিতাপ বিক্ৰীৰ অভিলেখ ৰচনা হৈছে। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই যৌথভাৱে আয়োজন কৰা এই গ্ৰন্থমেলাৰ আজি সামৰণি সভা অনুষ্ঠিত হয়। সভাত মুখ্য অতিথিৰ আসন শুৱনি কৰে শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে। তেওঁ ভাষণত কয়- 'গীতৰ সভাত যেনেদৰে শ্ৰোতাই প্ৰধান অলংকাৰ, তেনেদৰে গ্ৰন্থমেলাত পঢ়ুৱৈয়ে প্ৰধান অলংকাৰ। গ্ৰন্থমেলাত কিতাপ বিক্ৰীৰ পৰিসংখ্যাই আনন্দ দিছে। মই সদায়ে কৈ আহিছোঁ যে কিতাপ পঢ়া মানুহৰ সংখ্যা কমা নাই। কাৰণ মানুহে জ্ঞানৰ সাধনা কৰে। প্ৰজ্ঞাৰ সাধনা কৰে। জ্ঞান বা প্ৰজ্ঞাৰ মূল আধাৰ কিতাপ। অৱশ্যে বহুতে ই-বুক পঢ়িবলৈ লৈছে। তথাপি পঢ়ুৱৈৰ সংখ্যা কমা নাই।' তেওঁ লগতে কয় যে কৃত্ৰিম বুদ্ধিমত্তাৰ লগতে আমাক প্ৰাকৃতিক বুদ্ধিমত্তাৰো প্ৰয়োজন আছে। প্ৰশান্তিৰ বাবে, মানসিক সন্তুলনৰ বাবে গান শুনা আৰু কিতাপ পঢ়াৰ প্ৰয়োজন। কিতাপ পঢ়ি আমি প্ৰশান্তি আৰু প্ৰেৰণা লাভ কৰিব পাৰোঁ। সেয়ে গ্ৰন্থ আন্দোলনৰ প্ৰয়োজন আছে। অসম প্ৰকাশন পৰিষদে অনাগত সময়তো উৎসাহেৰে গ্ৰন্থমেলা আয়োজন কৰিব বুলি আশ্বাস প্ৰদান কৰে শিক্ষা মন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ পেগুৱে। সভাত সন্মানীয় অতিথিৰ আসন শুৱনি কৰে সাহিত্য অকাদেমি সন্মানপ্ৰাপক ওড়িয়াৰ বিশিষ্ট সাহিত্যিক পাৰমিতা শতপথীয়ে। তেওঁ কয়- 'অসমত গ্ৰন্থক কেন্দ্ৰ কৰি যি উৎসৱ উদযাপিত হৈছে এয়া দেখি অভিভূত হৈ পৰিছোঁ। এই পৰিবেশে নিশ্চিতি প্ৰদান কৰিছে যে গ্ৰন্থ কোনোদিনে শেষ হৈ নাযায়। অসম গ্ৰন্থমেলাত অংশগ্ৰহণ কৰি আনন্দিত হৈছোঁ।' অসমক দেশৰ ভিতৰতে মনোৰম প্ৰাকৃতিক সৌন্দৰ্যৰ অন্যতম ৰাজ্য বুলি অভিহিত কৰি তেওঁ কয় যে ব্ৰহ্মপুত্ৰ নদীয়ে অসমক জীৱনীশক্তি প্ৰদান কৰিছে। ইয়াৰ মানুহ, সাহিত্য-সংস্কৃতি, খাদ্যাভাস আৰু বেশভূষা অতি আকৰ্ষণীয়। অসমৰ জ্ঞান চৰ্চাৰো ঐতিহাসিক সুনাম আছে। সেই বাবেই অসমৰ সাহিত্য-সংস্কৃতি উন্নত মানৰ। তেওঁ অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ বাবে অসমবাসীক অভিনন্দন জনাই কয়- 'অসমীয়া আৰু ওড়িয়া ভাষাৰ মিল আছে। দুয়োটা ভাষাৰ প্ৰাচীনতম উৎসতে এই মিল বৈছে। ওড়িয়াৰ পৰা অসমীয়া আৰু অসমীয়াৰ পৰা ওড়িয়ালৈ অধিক অনুবাদ হ'লে দুয়োটা ভাষা সমৃদ্ধ হ'ব।' সভাখনত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক-সাংবাদিক, পদ্মশ্ৰী অৰূপ কুমাৰ দত্তই ভাষণ প্ৰসংগত কয় যে অসম গ্ৰন্থমেলা এতিয়া কলকতা গ্ৰন্থমেলাৰ সমতুল্য হৈছে। ইয়াৰ দৃশ্যপট আৰু কিতাপ বিক্ৰীৰ পৰিসংখ্যাই এয়া প্ৰতিপন্ন কৰিছে। এয়া ভাল লগা কথা। ভাষণ প্ৰসংগত তেওঁ কয়- 'প্ৰকৃত সাহিত্য আৰু প্ৰকৃত সাহিত্যিকে আমাক সত্যৰ সৈতে মুখামুখি কৰাই দিয়ে। গতিকে প্ৰকৃত সাহিত্য সদায়ে থাকি যাব। কিন্তু এতিয়া প্ৰকৃত সাহিত্যৰ প্ৰকাশ কমি অহা দেখা গৈছে। ইয়াৰ বাবে পঢ়ুৱৈ সমাজো দায়বদ্ধ। তেওঁলোকে প্ৰকৃত সাহিত্য আৰু জনপ্ৰিয় সাহিত্যিকৰ মাজৰ পাৰ্থক্য বুজি পাব লাগিব। সাহিত্য আৰু 'পপুলিষ্ট লিটাৰেচাৰ'ৰ পাৰ্থক্য আমি জানিবই লাগিব।' আন এগৰাকী বিশিষ্ট অতিথি, সাহিত্য অকাদেমিৰ অসমীয়া ভাষা উপদেষ্টা পৰিষদৰ আহ্বায়ক দিগন্ত বিশ্ব শৰ্মাই ভাষণত কয় যে অসমত গ্ৰন্থ প্ৰীতি দ্ৰুতান্বিত কৰিছে অসম গ্ৰন্থমেলাই। কিন্তু আমি নিজক প্ৰশ্ন কৰাৰ সময় আহিছে যে সাহিত্যই প্ৰকৃত পোহৰ হেৰুৱাইছে নেকি? যদি হেৰুৱাইছে তেন্তে পোহৰৰ বাট আমাক কোনে দেখুৱাব? জ্যোতিপ্ৰসাদ আগৰৱালাই সাহিত্যই পোহৰ দেখুওৱাৰ কথা কৈছিল। বিষয় প্ৰসংগৰে তেওঁ পুনৰ কয়- 'কপিলুলৰ দৃষ্টিভংগীৰে আমি সমুদ্ৰৰ সিপাৰৰ দৰ্শন অনুসৰণ কৰোঁ। অথচ দহ হাজাৰ বছৰ পূৰ্বতে বেদৰ জৰিয়তে ভাৰতীয় সভ্যতাই দৰ্শনতত্ত্ব দেখুৱাইছিল। ভাৰতবৰ্ষৰ সাহিত্যৰ এই সনাতন প্ৰমূল্য আমি জানিব লাগিব। সাহিত্য-সংগীত-কলাই জগতক সুন্দৰ কৰে। এয়া নাথাকিলে মানুহ শিং আৰু নেজ নোহোৱা পশুহে হ'ব বুলি ভৰ্তৃহৰিৰ দৰে মনীষীয়ে কৈ গৈছে। জ্যোতিপ্ৰসাদ আগৰৱালায়ো কৈছে- সুন্দৰে যে ফুলাৰ মন্ত্ৰ/ অহোৰাত্ৰি মাতে/ সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে... ৰূপান্তৰে জগত ধুনীয়া কৰে/ এয়ে মোৰ গায়ত্ৰী মন্ত্ৰ... । এয়ে সাহিত্যই দেখুওৱা পোহৰৰ বাট। গ্ৰন্থ হৈছে জ্ঞানৰ পোহৰ। এই জ্ঞান মুকলি কৰি দিয়া গ্ৰন্থ সদায়ে থাকিব।' অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ, অভিযান প্ৰণেতা সুমন্ত চলিহায়ো সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ধন্যবাদসূচক বক্তব্য আগবঢ়ায়। উল্লেখ্য যে আজি গ্ৰন্থমেলাৰ সামৰণি সভাত সাহিত্যিক ড° দীপক কুমাৰ বৰকাকতীক 'ঐশ্বৰ্য' উপন্যাসৰ বাবে অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা-২০২৫ প্ৰদান কৰা হয়। এই বঁটাত আছে ৫ লাখ টকা, অংগবস্ত্ৰ, মানপত্ৰ আৰু মূল্যবান কিতাপৰ টোপোলা। একেদৰে প্ৰকাশকৰ বাবে অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা-২০২৫ প্ৰদান কৰা হয় বান্ধৱ প্ৰকাশনৰ স্বত্বাধিকাৰী ৰঞ্জনজ্যোতি শৰ্মাক। এই বঁটাত আছে ৩ লাখ টকা, অংগবস্ত্ৰ আৰু মূল্যবান কিতাপৰ টোপোলা। দুয়োটা বঁটা প্ৰদান কৰে শিক্ষা মন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে। বঁটা গ্ৰহণ কৰি সাহিত্যিক ড° দীপক কুমাৰ বৰকাকতীয়ে কয় যে বঁটাই নতুন সৃষ্টিৰ বাবে উৎসাহিত কৰাৰ লগতে দায়বদ্ধতা সোঁৱৰাই দিয়ে। এই বঁটা গ্ৰহণ কৰি আনন্দিত হোৱাৰ লগতে দায়বদ্ধ হ'বলৈ উদগণি লাভ কৰিছোঁ। একেখন সভাতে অসম প্ৰকাশন পৰিষদৰ উদ্যোগত প্ৰস্তুত কৰা 'ম'ডাৰ্ণ গ্ল'চাৰি (এংলো-আছামিজ)' এপটো শিক্ষামন্ত্ৰী ড° ৰণোজ পেগুৱে মুকলি কৰে। এপটো প্ৰস্তুত কৰিছে ভাষা প্ৰযুক্তিবিদ ড° গুণদীপ চেতিয়া আৰু ভাষাবিদ ড° ভাস্কৰজ্যোতি শৰ্মাই। এপটো এনড্ৰইড মোবাইল আৰু আই ফোনত উপলব্ধ হ'ব। সভাত 'শিশুৰ দিন' আৰু সাংস্কৃতিক প্ৰতিযোগিতাৰ বঁটা বিতৰণীও কৰা হয়। সাংস্কৃতিক প্ৰতিযোগিতাত বিদ্যালয় শাখাত নৰ্থ ইষ্ট পাব্লিক স্কুল, কাহিলিপাৰাই প্ৰথম, ছাউথ পইণ্ট স্কুল, বৰ্থাপাৰাই দ্বিতীয়, অসম জাতীয় বিদ্যালয়, নুনমাটি, শংকৰদেৱ শিশু বিদ্যা নিকেতন, বিৰুবাৰীয়ে তৃতীয় আৰু এছ বি অ' এ পাব্লিক স্কুল, গড়চুকে চতুৰ্থ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। মহাবিদ্যালয় শাখাত দিছপুৰ মহাবিদ্যালয়ে প্ৰথম, সদিয়া ছোৱালী মহাবিদ্যালয়ে দ্বিতীয়, কটন বিশ্ববিদ্যালয়ে তৃতীয় আৰু সন্দিকৈ ছোৱালী মহাবিদ্যালয়ে চতুৰ্থ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। সামৰণি সভাত আদৰণি ভাষণ আগবঢ়ায় অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই। তেওঁ কয় যে অসম চৰকাৰৰ ঘোষণাৰ সৈতে সংগতি ৰাখি এইবেলি গ্ৰন্থমেলাখন মহানগৰীৰ লগতে ৮খন ঠাইত অসম গ্ৰন্থমেলা অনুষ্ঠিত কৰা হ'ল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচেষ্টা-পৰিকল্পনা আৰু শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ পৰামৰ্শৰে অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই আয়োজন কৰা অসম গ্ৰন্থমেলা সফল হোৱা বুলি ক'ব পাৰি। গ্ৰন্থ বিক্ৰীয়ে গ্ৰন্থমেলাৰ সফলতা নিৰ্ণয় কৰে। আমি ক'ব পাৰোঁ যে অসম গ্ৰন্থমেলা, গুৱাহাটীত যোৱা ১৪ দিনত প্ৰায় ৭ কোটি ৪০ লাখ টকাৰ কিতাপ বিক্ৰী হৈছে। সচিব কলিতাই অসম গ্ৰন্থমেলা সফল কৰাত সহযোগিতা আগবঢ়োৱাৰ বাবে চৰকাৰ-প্ৰশাসন, ছপা-বৈদ্যুতিন সংবাদ মাধ্যম, বিদ্যালয়সমূহ আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে সকলো পক্ষক ধন্যবাদ জ্ঞাপন কৰে। সভাখনৰ আঁত ধৰে প্ৰৱৰ্ত দাসে। নৰ্থ ইষ্ট পাব্লিক স্কুলৰ ছাত্ৰীসকলে পৰিৱেশন কৰা এটি বৰগীতেৰে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। অন্তিম দিনৰ সাংস্কৃতিক সন্ধিয়াৰ বাবেৰহবীয়া কাৰ্যসূচীয়ে সকলোকে মুগ্ধ কৰে।

পিয়াৰলেছ হাস্পতাল গুৱাহাটীৰ ভৱিষ্যৎ পৰিকল্পনা ঘোষণা

সুলভ চিকিৎসা সেৱা সম্প্ৰসাৰণত বিশেষ গুৰুত্ব

দৈনন্দিন বাৰ্তাৰ সেৱা, ৬ জানুৱাৰী ঃ স্বাস্থ্য সেৱাৰ মানদণ্ড আৰু সুলভ চিকিৎসাৰে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ চিকিৎসাক্ষেত্ৰত এক নতুন আশাৰ সঞ্চাৰ কৰিছে পিয়াৰলেছ হাস্পতাল গুৱাহাটীয়ে। চিকিৎসালয়খনে মঙলবাৰে ইয়াৰ ভৱিষ্যত পৰিকল্পনা আৰু গুৰুত্বপূৰ্ণ মাইলষ্টোনসমূহৰ বিষয়ে তথ্য সদৰী কৰাৰ লগতে ২০২৬ বৰ্ষ আৰু পৰৱৰ্তী সময়ৰ বাবে ইয়াৰ কৌশলগত কৰ্মসূচী ৰাজহুৱা কৰে। ইয়াৰ জৰিয়তে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উচ্চমানৰ, সহজলভ্য আৰু ৰোগী-কেন্দ্ৰিক স্বাস্থ্য সেৱা প্ৰদানৰ প্ৰতি থকা নিজৰ দায়বদ্ধতাক প্ৰতিষ্ঠানটোৱে পুনৰ দৃঢ় কৰিছে। চিকিৎসালয় চৌহদত আয়োজিত এক সাংবাদিক মেলত কৰ্তৃপক্ষই সদৰী কৰে যে ২০২৫ চনৰ জুলাই মাহত চিকিৎসালয়খন মুকলি হোৱাৰ পৰা বৰ্তমানলৈকে ক্লিনিকেল ফলাফল, ৰোগীৰ আস্থা আৰু সেৱা প্ৰদানৰ ক্ষেত্ৰত উল্লেখযোগ্য উন্নতি পৰিলক্ষিত হৈছে। এই সময়ছোৱাত কেইবাটাও সফল চিকিৎসাৰ কাহিনী উল্লেখ কৰি চিকিৎসালয়খনে জটিল ৰোগৰ চিকিৎসা, বহুমুখী যত্ন আৰু সময়োপযোগী পদক্ষেপৰ জৰিয়তে গঢ়ি তোলা বৰ্ধিত পাৰদৰ্শিতাৰ বিষয়ে আলোকপাত কৰে। এই উপলক্ষে পিয়াৰলেচ হাস্পতাল গুৱাহাটীৰ মুখ্য কাৰ্যবাহী বিষয়া ডাঃ গৌতম কুমাৰ দাসে কয়, 'আমাৰ লক্ষ্য হৈছে এনে এক বহুনক্ষম স্বাস্থ্য প্ৰতিষ্ঠান নিৰ্মাণ কৰা যিয়ে চিকিৎসা বিজ্ঞানৰ উৎকৰ্ষৰ সৈতে সুলভতা আৰু সহজলভ্যতাৰ মাজত এক নিখুঁত ভাৰসাম্য ৰক্ষা কৰিব পাৰে। আয়ুষ্মান ভাৰত আঁচনিৰ অধীনত আমাৰ সেৱাসমূহ সম্প্ৰসাৰণ কৰি, আধুনিক চিকিৎসা সঁজুলিত বিনিয়োগ কৰি আৰু দক্ষ কৰ্মশক্তিক অধিক শক্তিশালী কৰি আমি নিশ্চিত কৰিছোঁ যাতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সমাজৰ প্ৰতিটো শ্ৰেণীৰ ওচৰত মানসম্পন্ন চিকিৎসা সেৱা সুলভ হৈ পৰে। উচ্চমানৰ, সহানুভূতিশীল আৰু সুলভ স্বাস্থ্যসেৱা প্ৰদানৰ ক্ষেত্ৰত আমাৰ প্ৰতিশ্ৰুতিত বিশ্বাস কৰা, দক্ষ আৰু একে মনোভাৱৰ স্বাস্থ্যসেৱা পেছাদাৰীসকলক আমি আমাৰ বিকাশ আৰু বিস্তাৰৰ যাত্ৰাত অংশগ্ৰহণ কৰিবলৈ আদৰণি জনাইছোঁ।' চিকিৎসালয়খনৰ শেহতীয়া ক্লিনিকেল প্ৰদৰ্শনৰ সন্দৰ্ভত পিয়াৰলেচ হাস্পতাল গুৱাহাটীৰ চিকিৎসা অধীক্ষক তথা জৰুৰীকালীন বিভাগৰ সঞ্চালক ডাঃ প্ৰণৱ বৰুৱাই কয়, 'বিগত ছয় মাহত আমি ৰোগীৰ সুস্থতাৰ হাৰত ধাৰাবাহিক উন্নতি দেখিবলৈ পাইছোঁ, য'ত আমাৰ সুদক্ষ দলীয় কাম-কাজ, পৰিশোধিত ক্লিনিকেল প্ৰট'কল আৰু তাৎক্ষণিক সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াই মুখ্য ভূমিকা পালন কৰিছে। আজি আমি শেহতীয়া কৰা প্ৰতিটো সাফল্যৰ কাহিনীয়ে আমাৰ চিকিৎসক, নাৰ্ছ আৰু সহায়ক কৰ্মীসকলৰ একাগ্ৰতা তথা গভীৰ নিষ্ঠাক প্ৰতিফলিত কৰিছে।' আনকি অতি জটিল আৰু জীৱনলৈ ভাবুকি কঢ়িয়াই অনা অৱস্থা এতিয়া পিয়াৰলেছ হাস্পতাল গুৱাহাটীত উন্নত পদ্ধতিৰে চিকিৎসা কৰা হৈছে। এনে ক্ষেত্ৰত উচ্চ মানৰ দক্ষতা আৰু বিশেষ আন্তঃগাঁথনিৰ প্ৰয়োজন হয়, আৰু শেহতীয়া প্ৰযুক্তি আৰু উত্তম ক্লিনিকেল পদ্ধতি ব্যৱহাৰ কৰি বিশ্বমানৰ স্নায়ু আৰু হস্তক্ষেপমূলক যত্ন প্ৰদান কৰাৰ চিকিৎসালয়খনৰ ক্ৰমবৰ্ধমান ক্ষমতাক প্ৰতিফলিত কৰে। ভৱিষ্যত পৰিকল্পনাৰ কথা উল্লেখ কৰি চিকিৎসালয় কৰ্তৃপক্ষই জনায় যে ২০২৬ বৰ্ষটো হ'ব বিকাশ আৰু দৃঢ়ীকৰণৰ বছৰ, য'ত ক্লিনিকেল সামৰ্থ্য বৃদ্ধি, আন্তঃগাঁথনিৰ আধুনিকীকৰণ আৰু জনসম্পৰ্ক সেৱাৰ সম্প্ৰসাৰণত বিশেষ গুৰুত্ব দিয়া হ'ব। এই বৃদ্ধিৰ পৰ্যায়ৰ অংশ হিচাপে পিয়াৰলেচ হাস্পতাল গুৱাহাটীয়ে অতিৰিক্ত বিশেষজ্ঞ চিকিৎসক, নাৰ্ছিং ষ্টাফ আৰু আনুষংগিক স্বাস্থ্য পেছাদাৰীক অন্তৰ্ভুক্ত কৰি নিজৰ কৰ্মশক্তি বৃদ্ধি কৰিছে যাতে ৰোগীৰ যত্ন অধিক উন্নত হয়। তদুপৰি চিকিৎসালয়খনে বিভিন্ন গুৰুত্বপূৰ্ণ বিভাগৰ বাবে উন্নত চিকিৎসা সঁজুলি সংগ্ৰহৰ কথা ঘোষণা কৰে, যাৰ উদ্দেশ্য হৈছে ৰোগ নিৰ্ণয়ৰ নিখুঁততা, চিকিৎসাৰ দক্ষতা আৰু ৰোগীৰ সুৰক্ষা বৃদ্ধি কৰা। এই নতুন সংযোগসমূহে অঞ্চলটোৰ ভিতৰতে জটিল আৰু গুৰুতৰ ঘটনাসমূহ পৰিচালনা কৰাৰ ক্ষেত্ৰত চিকিৎসালয়খনৰ সক্ষমতা অধিক বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ সুলভ তথা সৰ্বাংগীণ স্বাস্থ্য সেৱাৰ লক্ষ্যৰ সৈতে সংগতি ৰাখি পিয়াৰলেচ হাস্পতাল গুৱাহাটীয়ে ঘোষণা কৰিছে যে সকলো আয়ুষ্মান ভাৰত কাৰ্ড ধাৰীয়ে চিকিৎসালয়খনত নগদবিহীন চিকিৎসা লাভ কৰিব পাৰিব। ইয়াৰ ফলত ৰোগী বা তেওঁলোকৰ পৰিয়ালৰ ওপৰত কোনো অতিৰিক্ত আৰ্থিক বোজা নপৰাকৈয়ে গুণগত চিকিৎসা সুনিশ্চিত হ'ব। ইয়াৰ উপৰিও চিকিৎসালয়খনে কৰ্মচাৰী কল্যাণৰ বাবে ই এছ আই চি কভাৰেজ প্ৰদান কৰিছে, যিয়ে কৰ্মচাৰীৰ কুশলতা আৰু প্ৰতিষ্ঠানটোৰ দীৰ্ঘকালীন স্থিৰতাত সহায় কৰিছে। সামাজিক সেৱাৰ অংশ হিচাপে পিয়াৰলেচ হাস্পতাল গুৱাহাটীয়ে চহৰখনৰ বিভিন্ন স্থানত কেইবাটাও স্বাস্থ্য শিবিৰ আয়োজন কৰি প্ৰতিৰোধমূলক স্ক্ৰিনিং আৰু আগতীয়া ৰোগ নিৰ্ণয়ৰ ওপৰত গুৰুত্ব দিছে। ইয়াৰ উপৰিও হাউলী, নগাঁও, বৰপেটা, মঙলদৈ আৰু শিলচৰ আদি ঠাইত চিকিৎসালয়খনে নিয়মীয়া আউটৰীচ অ' পি ডি ক্লিনিক আয়োজন কৰিছে, যাৰ ফলত নিকটৱৰ্তী চহৰ আৰু জিলাসমূহৰ ৰোগীসকলে নিজৰ ঘৰৰ ওচৰতে বিশেষজ্ঞ চিকিৎসকৰ পৰামৰ্শ লাভ কৰিবলৈ সক্ষম হৈছে। চিকিৎসালয়খনে নিজৰ দীৰ্ঘম্যাদী প্ৰতিশ্ৰুতি দোহাৰি কয় যে পিয়াৰলেচ হাস্পতাল গুৱাহাটীয়ে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্বাস্থ্যৰ অগ্ৰাধিকাৰসমূহৰ সৈতে খোজ মিলাই কাম কৰি যাব আৰু অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক নিৰ্ভৰযোগ্য তথা পূৰ্ণাংগ স্বাস্থ্য কেন্দ্ৰ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব।

পশ্চিম দৰঙত বৃদ্ধি চোৰৰ উপদ্ৰৱ

আৰক্ষীক এজাহাৰ দি তৎ পোৱা নাই ৰাইজে

দৈনন্দিন বাৰ্তাৰ সেৱা, বুঢ়া, ৬ জানুৱাৰী ঃ দৰঙৰ পশ্চিমাঞ্চলত ব্যাপক হাৰত বৃদ্ধি পাই আহিছে চোৰৰ উপদ্ৰৱ। আৰক্ষী প্ৰশাসনক এজাহাৰ দি তৎ পোৱা নাই ৰাইজে। আজিলৈ এটাও চোৰ কৰায়ত্ত কৰিব পৰা নাই আৰক্ষী প্ৰশাসনে। আৰক্ষীৰ নীৰৱ ভূমিকাক লৈয়ো সন্দেহৰ আঙুলি টোঁৱাইছে স্থানীয় ৰাইজে। আনহাতে, আজি কিছুদিন পূৰ্বে ঘৰৰ তলা ভাঙি আ-অলংকাৰ চুৰি কৰা তিনিটাকৈ চোৰক কৰায়ত্ত কৰাৰ পিছত পিছদিনাই চোৰ মুকলি আকাশৰ তলত ওলাই অহাত সৰ্বত্ৰ ৰাইজৰ মাজত চৰ্চিত হৈছে বুঢ়া আৰক্ষীৰ ভূমিকাক লৈ। ইটোৰ পিছত সিটো চোৰৰ উপদ্ৰৱৰ মাজতে সোমবাৰে নিশা বুঢ়া আৰক্ষী চকীৰ অন্তৰ্গত ছিপাঝাৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনৰ বিষ্ণুপুৰৰ ৪০৩ নং কোচপাৰা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰত চুৰি কাণ্ড সংঘটিত হয়। কেন্দ্ৰটোৰ তলা ভাঙি কণ কণ শিশুসকলৰ বাবে ব্যৱহৃত চিলিণ্ডাৰ, পানী উঠোৱা মটৰ, একুৱাগাৰ্ডৰ লগতে অন্যান্য সামগ্ৰী লৈ যায় চোৰে। পূৰ্বেও কেন্দ্ৰটোৰ গাতে লাগি থকা বিষ্ণুপুৰ প্ৰাথমিক বিদ্যালয়খনত চাৰিবাৰকৈ চুৰি হৈছিল। তদুপৰি কেন্দ্ৰটোৰ ওচৰে-পাঁজৰে থকা বহকেইখন শিক্ষানুষ্ঠান, চৰকাৰী কাৰ্যালয়ৰ পৰা বহু লাগতিয়াল সামগ্ৰী চুৰি কৰি নিছিল। ইতিমধ্যে ঘটনা সন্দৰ্ভত বুঢ়া আৰক্ষীক কেন্দ্ৰটোৰ কৰ্তৃপক্ষই এজাহাৰ দাখিল কৰিছে। এই ক্ষেত্ৰত পৰৱৰ্তী সময়ত আৰক্ষী প্ৰশাসনে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।